জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬৪/২০২১

## গুৱাহাটীৰ বৰসজাইত টাটা মটৰ্ছৰ ডিলাৰশ্বিপ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

# অসমত যান-বাহন নিৰ্মাণ প্ৰকল্প আৰম্ভ কৰাৰ বাবে টাটা মটৰ্ছৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৪ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ বৰসজাইত ‘অসম অট’মোবাইলছ প্ৰাইভেট লিমিটেড’ নামৰ টাটা মটৰ্ছৰ এটা নতুন ডিলাৰশ্বিপ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মূলতঃ লঘু বাণিজ্যিক বাহন বিপণনৰ ব্যৱস্থা থকা এই ডিলাৰশ্বিপটোৱে অসমৰ নিবনুৱা যুৱক-যুৱতীসকলক বিশেষভাৱে সহায় কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে।

অনুষ্ঠানত বক্তব্য আগবঢ়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কভিড-১৯ অতিমাৰীৰ পৰিপ্ৰেক্ষিতত অট’মোবাইল উদ্যোগটোৱে বিশ্বজুৰি গভীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা সময়তে নতুনকৈ এটা যান-বাহনৰ ডিলাৰশ্বিপ আৰম্ভ কৰি ‘প্ৰাগ নিউজ’ৰ পৰিচালন সঞ্চালক ড° সঞ্জীৱ নাৰায়ণে এক সাহসী পদক্ষেপৰ পৰিচয় ডাঙি ধৰিছে। এগৰাকী সফল উদ্যোগী হিচাপে বহুসংখ্যক যুৱক-যুৱতীক সংস্থাপিত কৰাৰ লগতে অসমৰ সাংস্কৃতিক জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে মুখ্যমন্ত্ৰীয়ে ড° নাৰায়ণৰ শলাগ লয়।

অসমৰ সৈতে টাটা গ্ৰুপৰ দীৰ্ঘদিনীয়া সম্পৰ্কৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে টাটা ছন্‌ছে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫০ কোটি টকাৰ বৰঙনি আগবঢ়াই মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে। সেইদৰে ৫০০ কোটি টকাৰো অধিক পুঁজি বিনিয়োগেৰে টাটা ট্ৰাষ্টৰ সহযোগত ৰাজ্যখনত ১৭ খনকৈ কৰ্কট ৰোগ চিকিৎসালয় স্থাপনৰ কথাও তেওঁ বিশেষভাৱে উল্লেখ কৰে। অসমত যান-বাহন নিৰ্মাণ প্ৰকল্প আৰম্ভ কৰাৰ বাবে আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰীয়ে টাটা মটৰ্ছৰ প্ৰতি আহ্বান জনায়।

আজিৰ অনুষ্ঠানত ৰাজ্যৰ পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল আৰু নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈও উপস্থিত থাকে। অনুষ্ঠানত টাটা মটৰ্ছৰ উপাধ্যক্ষ ৰাজেশ কৌল, ‘প্ৰাগ নিউজ’ৰ পৰিচালন সঞ্চালক তথা ‘অসম অট’মোবাইলছ প্ৰাইভেট লিমিটেড’ৰ স্বত্বাধিকাৰী ড° সঞ্জীৱ নাৰায়ণৰ লগতে বহুসংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

**প্ৰঃকুঃবঃ /১৪-০৭-২০২১**